ভাবেনে? কিয়?

প্রশ্ন নং ২ ঃ সংবাদ মাধ্যমক এখন অনানুষ্ঠানিক বিশ্ববিদ্যালয়ৰ সৈতে তুলনা কৰিব পাৰিনে? কিয়?

প্রশ্ন নং ৩ ঃ সমগ্র বিশ্বৰে প্রেছৰ স্বাধীনতাৰ সূচ্যাংক নির্ণয় কৰিবলৈ নিয়মীয়া বার্ষিক সমীক্ষা চলোৱা আন্তঃৰাষ্ট্রীয় সংস্থা দুটামানৰ নাম লিখক।

প্রশ্ন নং ৪ ঃ ভাৰতীয় প্রেছ কাউন্সিল কিয় গঠন কৰা হৈছিল? ইয়াৰ প্রধান কাম কি?

প্রশ্ন নং ৫ ঃ CBFCৰ অধীনত কি কি শাখাত প্রমাণ-পত্র প্রদান কৰা হয়।

খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা মান শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন নং ১ ঃ এখন দেশৰ গণতান্ত্রিক শাসন ব্যৱস্থাটো বর্তাই ৰখাত সংবাদ মাধ্যম অথবা প্রেছে কেনেকৈ সহায় কৰে আলোচনা কৰক।

প্রশ্ন নং ২ ঃ বিশ্বৰ যিকোনো সমাজতে প্রেছৰ স্বাধীনতা সীমাবদ্ধ কৰাৰ লগত কোনবোৰ কথাৰ সম্পর্ক থাকে?

প্রশ্ন নং ৩ ঃ কিয় "প্রোথিত সাংবাদিকতা"ক সমালোচনা কৰা হয়?

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা মান শব্দৰ ভিতৰত দিব) ঃ

প্রশ্ন নং ১ ঃ আন্তঃৰাষ্ট্রীয়, ৰাষ্ট্রীয় আৰু আঞ্চলিক পর্যায়ত অভিব্যক্তি প্রকাশৰ স্বাধীনতাৰ মাজত বৃহৎ পার্থক্য থকাৰ কাৰণবোৰ কি?

প্রশ্ন নং ২ ঃ কেন্দ্রীয় কথাছবি প্রামাণিকৰণ ব'র্ড (CBFC)ৰ ভূমিকাৰ সমালোচনাত্মক মূল্যায়ন কৰক।

প্রশ্ন নং ৩ ঃ ভাৰতীয় প্রেছ কাউন্সিলে কেনেকৈ নিজৰ দায়িত্ব পালন কৰি আহিছে?

প্রশ্ন নং ৪ ঃ সংবাদ মাধ্যমে কেনেকৈ সমাজত ইয়াৰ কার্যক্রমমিকা সজ্জাৰ কর্তব্যটো ৰূপায়ণ কৰে?

*****

অধ্যায় ৫ ঃ বাতৰি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ বাতৰিৰ ধাৰণা আৰু সংজ্ঞা
৫.৪ বাতৰিৰ উৎস
৫.৫ বাতৰিৰ বস্তুনিষ্ঠতা আৰু যথার্থতা
৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৭ অধিক জানিবলৈ
৫.৮ অগ্রতিৰ খতিয়ান
৫.৯ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাতৰিৰ ধাৰণা আৰু সংজ্ঞা বুজি পাব
- বাতৰিৰ বিভিন্ন উৎসৰ বিষয়ে জানিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় দুটামানত আন্তঃৰাষ্ট্রীয়, ৰাষ্ট্রীয় আৰু আঞ্চলিক পর্যায়ত প্রেছৰ (সংবাদ মাধ্যমৰ) স্বাধীনতাৰ বিশেষ উল্লেখেৰে এটা গণতান্ত্রিক ব্যৱস্থাত সাংবাদিকতাৰ ভূমিকা সম্পর্কে আলোচনা কৰিছিলো। আমি ইতিমধ্যে প্রেছ কাউন্সিল অৰ ইণ্ডিয়া আৰু চেণ্ট্রেল ব'র্ড অৰ ফিল্ম চার্টিফিকেশ্যনৰ বিষয়েও আলোচনা কৰিছো।

এই অধ্যায়টিত আপোনালোকক বাতৰিৰ ধাৰণা আৰু বিভিন্ন উৎসৰ সৈতে পৰিচয় কৰাই দিয়াৰ চেষ্টা কৰা হ'ব।

বিভিন্ন সংবাদ মাধ্যম; যেনে— বাতৰিকাকত, বাতৰি চেনেল আৰু নিউজ প'র্টেল অর্থাৎ ইণ্টাৰনেট বাতৰি সেৱাৰ প্রসাৰ আৰু জনপ্রিয়তাৰ লগে লগে আমাৰ দৈনন্দিন জীৱনত বাতৰি বা খবৰ এটা এৰাব নোৱৰা উপাদানত পৰিণত হৈছে। বাতৰি শব্দটো আপোনাৰ বাবে নিশ্চয়

অতি পৰিচিত শব্দ। কিন্তু গণ সংযোগ বিভাগৰ শিক্ষার্থী হিচাপে 'বাতৰি' সম্পর্কে আপোনাৰ ধাৰণা সাধাৰণ মানুহতকৈ গভীৰ আৰু ব্যাপক হ'ব লাগিব।

এই অধ্যায়টো আপোনাক সাধাৰণ লোকৰ দৃষ্টিকোণৰ পৰিৱর্তে এগৰাকী সাংবাদিকৰ দৃষ্টিকোণেৰে বাতৰি সম্পর্কে ধাৰণা দিয়া হ'ব। এই অধ্যায়ত আপোনাক বাতৰিৰ ধাৰণা, বিভিন্ন প্রকাৰৰ বাতৰি, বাতৰিৰ মান আৰু বাতৰিৰ উৎস ইত্যাদিৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব।

আমি আশা কৰোঁ যে এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বাতৰিৰ লগত জড়িত মৌলিক ধাৰণাসমূহৰ বিষয়ে স্পষ্ট ধাৰণা লাভ কৰিব। এতিয়া আমি তলত উল্লেখ কৰা শাখাসমূহত মনোনিবেশ কৰোঁ আহক।

৫.৩ বাতৰিৰ ধাৰণা আৰু সংজ্ঞা

বাতৰিৰ ধাৰণা ঃ

'কুকুৰ এটাই মানুহ এজনক কামুৰিলে- এইটো বাতৰি নহয়। কিন্তু, মানুহ এজনে কুকুৰ এটাক কামুৰিলে- এইটো এটা বাতৰি'— আজিৰ পৰা এশ বছৰতকৈও আগতে দ্য নিউইয়র্ক চান কাকতৰ নগৰ সম্পাদক (City Editor) জন বিঃ ব'গার্টে এই প্রখ্যাত কথাষাৰ কৈ থৈ গৈছে। এতিয়াও কথাষাৰৰ কিছু পৰিমাণে সত্যতা আছে। কাৰণ, কেনো সহজে নঘটা অথবা আসাধাৰণ ঘটনাকে প্রয়োই বাতৰি বোলা হয়।

সম্ভৱতঃ আমাৰ দৈনন্দিন জীৱনত প্রায়েই ব্যৱহাৰ হোৱা পৰিভাষাবোৰৰ মাজৰে এটা হ'ল 'বাতৰি'। কি কি উপাদানে একোটা 'বাতৰি' সৃষ্টি কৰে হয়তো সেয়া নজনাকৈয়ে আমি সকলোৱে বন্ধু-বান্ধৱ, পৰিয়াল-পৰিজন আৰু অন্য লোকৰ সৈতে কথা পাতোতে সঘনাই এই শব্দটো ব্যৱহাৰ কৰোঁ। সমগ্র বিশ্বতে প্রতিটো মুহূর্ততে অনেক কার্যকলাপ আৰু ঘটনা সংঘটিত হয়। কিন্তু আপোনালোকে কেতিয়াবা ভাবি চাইছেনে কিয় দৈনিক সংবাদ বুলেটিন এখনত দিন এটাত সংঘটিত হোৱা সমস্ত ঘটনাৱলীৰ ভিতৰৰে মাত্র বছা বছা দুটামান ঘটনাকহে স্থান দিয়া হয়? সেই ঘটনাকেইটাকহে কিয় আমি 'সংবাদ' বুলি কওঁ? কেতিয়াবা বুজিবলৈ চেষ্টা কৰিছেনে কিয় অজস্র স্বতন্ত্র ঘটনাৰ মাজৰ কেৱল আঙুলিৰ মূৰত গণিব পৰা দুটামান ঘটনাহে আপুনি নিতৌ বাতৰিকাকতত পঢ়িবলৈ পায় আৰু সেই ঘটনাকেইটাকহে কিয় আপুনি 'সংবাদ' আখ্যা দিয়ে। সংবাদ মাধ্যমত স্থান দখল কৰিবলৈ অসমর্থ হোৱা বাকী ঘটনাবোৰৰ তেন্তে কি হ'ল?

ভাৰতৰ দৰে এশ কোটি জনসংখ্যাৰ দেশ এখনৰ টেলিভিছ্ন চেনেলসমূহ কিয় মাত্র কেইখনমান চিনাকি মুখ; যেনে- মুষ্টিমেয় ৰাজনৈতিক নেতা, চিনেমাৰ তাৰকা, মডেল, বিজ্ঞানী, আমোলাক লৈ মগ্ন হৈ থাকে? ইমানবোৰ মানুহৰ মাজৰে মাত্র দুই-চাৰিজনমানেহে সংবাদ সৃষ্টি কৰিব পাৰে কিয়? সংবাদ মাধ্যমবোৰে নিজৰ দায়িত্বৰ অংশ বুলি ধৰি লৈ আমাক পৃথিৱীৰ প্রতিটো প্রান্ততে প্রতি মুহূর্ততে ঘটি থকা প্রত্যেকটো ঘটনাৰে পুংখানুপুংখ তথ্যৰ যোগান নধৰে কিয়?

ইয়াৰ কাৰণ হ'ল,সাংবাদিকতাৰ ভাষাত 'সংবাদ' শব্দটো কেতবোৰ অন্তর্নিহিত গূঢ়ার্থ আছে।

সমগ্ৰ বিশ্বতে সৰ্বত্ৰ ঘটি থকা প্ৰতিটো ঘটনা পৰিঘটনা, কাৰ্যকলাপকে 'সংবাদ' বুলি স্বীকৃতি প্ৰদান কৰিব নোৱাৰি। এটা বিষয় অথবা ঘটনাক 'সংবাদ' আখ্যা দিবলৈ হ'লে সেই বিষয় অথবা ঘটনাটোত কিছুমান বিশেষ উপাদান বিদ্যমান থাকিব লাগিব। সেয়েহে প্ৰথমে আমি 'সংবাদ' কিহক কোৱা হয় সেয়া বুজি লওঁ আহক।

বাতৰিৰ সংজ্ঞা

সকলোৰে বাবে গ্ৰহণযোগ্য সকলো দিশ সামৰি বাতৰিৰ এটা সাধাৰণ সংজ্ঞা নিৰূপণ কৰা কঠিন কাম, কিয়নো সময়ৰ লগে লগে আৰু ভৌগোলিক পৰিসীমাৰ পৰিৱৰ্তনৰ ফলত বাতৰিৰ অৰ্থ আৰু পৰিসীমাও সলনি হৈ গৈ আছে। সৰল ভাষাত ক'বলৈ হ'লে বাতৰি হ'ল এই সকলোবোৰ ঘটনা যিবোৰ আমাৰ চৌদিশে পূবে-পশ্চিমে-উত্তৰে-দক্ষিণে বিভিন্ন দিশত ঘটি আছে আৰু যিবোৰৰ সন্মিলনেই হৈছে বাতৰি। অৱশ্যে এই কথা মানি ল'বলৈ হ'লে আমি সমাজত ঘটি থকা প্ৰতিটো ঘটনা, সি যিমানেই ডাঙৰ বা সৰু নহওক কিয় বা কোনোবা প্ৰখ্যাত লোক বা অখ্যাত লোকৰ জীৱনত নঘটকেই বা কিয়, সকলোবোৰকে বাতৰি বুলি গণ্য কৰিব লাগিব। সেয়েহে যেতিয়া আমি বিভিন্ন সংবাদ মাধ্যমবোৰ লক্ষ্য কৰো তেতিয়া বাতৰি সম্পৰ্কে আমাৰ এই ধাৰণাৰ যথাৰ্থতা সম্পৰ্কে সংশয় জাগে। সেয়েহে আমি এই ধাৰণা পুনৰ পৰীক্ষা কৰাৰ লগতে ইয়াক সংশোধনো কৰিব লাগিব এনেদৰে-

বাতৰি হৈছে কিছু নতুন, কিছু প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ, কিছু ব্যতিক্ৰমধৰ্মী বা থিতাতে ঘটা ঘটনা; যিবোৰ ঘটনাই আমাৰ জীৱন আৰু সমাজক কেনেবাকৈ হ'লেও প্ৰভাৱিত কৰে।

এতিয়া এনে ব্যাখ্যাই আপোনাৰ মনত সকলো সংশয় দূৰ কৰিব পাৰিছেনে? বাতৰিৰ কিবা নহয় কিবা নতুনত্ব থাকিব লাগিব। সেয়া হ'ব পাৰে এটা আৱিষ্কাৰ, উদ্ভাৱন, নৱনিৰ্মাণ বা চৰকাৰে দুখীয়া শ্ৰেণীৰ উন্নয়নৰ বাবে হাতত লোৱা এটা প্ৰকল্প, এটা আসন্ন বিপৰ্যয়, প্ৰাকৃতিক দুৰ্যোগ, এটা দুৰ্ঘটনা বা সমাজত ঘটা এটা নৃশংস হত্যাকাণ্ড। এইবোৰেই 'নিউজ ষ্টৰী' বুলি বিবেচিত হয়। এটা নতুন ফেছন, বজাৰলৈ অহা এবিধ নতুন বস্তু, সমাজৰ লোকৰ ৰুচি বা অভ্যাসৰ পৰিৱৰ্তন এইবোৰো বাতৰি হ'ব পাৰে, কাৰণ এনেবোৰ ঘটনাই সমাজৰ পৰিৱৰ্তনৰ ইংগিত বহন কৰাৰ লগতে বহুত মানহৰ বাবে তাক প্ৰাসংগিক কৰি পেলায়। প্ৰকৃততে সকলো ঘটনাকে 'বাতৰি' বুলি অভিহিত কৰিব পৰা যায় যদিহে তাৰ তাৎক্ষণিক তাৎপৰ্য থাকে আৰু জনসাধাৰণৰ গৰিষ্ঠ অংশৰ জীৱনক প্ৰভাৱিত কৰে। গীণিজ বুকত সন্নিৱিষ্ট অভিলেখৰ দৰে ব্যতিক্ৰমধৰ্মী ঘটনা এটাও বাতৰিৰ যোগ্য হ'ব পাৰে। সংসদ বা বিধানসভাৰ সদস্যসকলৰ ভূমিকা আৰু কাম-কাজ জনসাধাৰণৰ বাবে গুৰুত্বপূৰ্ণ— কিয়নো জনপ্ৰতিনিধি হিচাপে দেশক শাসন কৰা আৰু নেতৃত্ব দিয়াটো তেওঁলোকৰ কৰ্তব্য।

দ্য অক্সফোৰ্ড ইংলিছ ডিক্সনেৰী (The Oxford English Dictionary) য়ে বাতৰিৰ সংজ্ঞা আগবঢ়াই এইদৰে কৈছে- 'The report or account of recent events or occurances, brought or coming to one as new information, new occurances as a subject of report or talk'

গতিকে সকলো দিশ আলোচনা কৰাৰ পিছত আমি এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে বাতৰি হ'ল কোনো এক ঘটনাৰ তথ্য, যি সমাজত ঘটিছে আৰু যিয়ে সমাজৰ গৰিষ্ঠসংখ্যক জীৱনক প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱিত কৰিছে বা প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছে অথবা যি ঘটনাই সমাজৰ বৃহৎ অংশৰ দ্বাৰা তাৎক্ষণিক তাৎপৰ্য বহন কৰিছে।

অৱশ্যে আমি এতিয়ালৈকে বাতৰিৰ কেইটামান বৈশিষ্ট্যৰ কথাহে আলোচনা কৰিছোঁ। আমি ইতিমধ্যে কৰি অহা আলোচনাৰ উপৰিও কিছুমান ঘটনাৰ এনে কিছুমান উপাদান থাকে যাৰ বাবে আমি তাক বাতৰি বুলি ক'ব পাৰোঁ। সাংবাদিকতাৰ ভাষাত ইয়াকে কোৱা হয় 'বাতৰি-মূল্য' বা News Value.

জানি থোৱা ভাল



কেইটামান বিশিষ্ট সংজ্ঞা আৰু উদ্ধৃতি ঃ

'বাতৰি হৈছে সেইটো যিয়ে এগৰাকী ভাল সাংবাদিকৰ মনোযোগ আকৰ্ষণ কৰে।' -জেৰাইড জনছন, দ্য ছান, বাল্টিমক্সৰ ('News is what interests a good newspaperman.' -Geraid Johnson, the Sun, Baltimore)

'কোনোবাই ক'ৰবাত কিবা লুকুৱাবলৈ চেষ্টা কৰা বস্তুটোৱেই হ'ল বাতৰি। বাকী চব বিজ্ঞাপন। 'উইলিয়াম ৰেনড'ল্ফ ('News is something some one some where wants suppressed. All the rest is advertising.' -William Randolph.

'বেছিভাগ সময়তে কোনো বাতৰি নথকাই ভাল বাতৰি, বাতৰি প্ৰতিষ্ঠানৰ কাৰণে ভাল বাতৰি বাতৰিয়ে নহয়।' ('For most times no news is good news, for the press, good news is not news.')

অনুশীলনী ৫.১



১। যোৱা দুদিনত সংবাদ মাধ্যমে পৰিৱেশন কৰা ১০ টা প্ৰধান বাতৰি কথা ভাবক। প্ৰতিটো বাতৰিতে কি বাৰ্তাৰ মূল্য (এটা অথবা একাধিক) আছে চিনাক্ত কৰক। যিমান অধিক পাৰে সিমানটা বাতৰিৰ বাতৰি মূল্য লিখি উলিয়াওক।

২। আজিৰ বাতৰি-কাকত এখন মেলক। প্ৰথম পৃষ্ঠাৰ বাতৰিবোৰত চকু ফুৰাওক। তলৰ সংবাদ মূল্যবোৰ থকা বাতৰিবোৰ চিনাক্ত কৰক। প্ৰথম পৃষ্ঠাৰ আটাইবোৰ বাতৰিতে থকা উমৈহতীয়া সংবাদ মূল্যটোৰ নাম লিখক।

(ক) সময় সাপেক্ষ (খ) সংঘাত মত পাৰ্থক্য (গ) দৃষ্টি আকৰ্ষণকাৰী

(ঘ) গুৰুত্বপূৰ্ণ (ঘ) প্ৰভাৱ পেলাব পৰা

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ বাতৰি কি?

.....

প্ৰশ্ন নং ২ ঃ বাতৰি মূল্য বুলিলে কি বুজে?

.....

৫.৪ বাতৰিৰ উৎস

সাংবাদিকতাৰ ভাষাত উৎসৰ অর্থ হ'ল সেইবোৰ যোগসূত্র বা লোক যিসকলৰ পৰা সাংবাদিক এজনে বাতৰিৰ বাবে মূল্যৱান তথ্য সংগ্রহ কৰে। এজন সাংবাদিকৰ বাবে সকলো সময়তে তেওঁৰ চৌপাশে কি ঘটিছে তাৰ খবৰ ৰখা বা তথ্য সংগ্রহ কৰা নহ'ব পাৰে। এনে পৰিস্থিতিত সাংবাদিকজনে তেওঁ কাম কৰা প্রতিষ্ঠানৰ বাহিৰৰ কোনো লোকৰ ওপৰত তথ্যৰ বাবে নির্ভৰ কৰিবলগীয়া হয়। এনে লোকেই সাংবাদিকজনক কোনো ঘটনাৰ তথ্য আৰু খবৰ দিয়ে, অন্যথা সাংবাদিকজনৰ দ্বাৰা তেনে তথ্য উদ্ধাৰ কৰাটো সম্ভৱেই নহয়। সাধাৰণতে সাংবাদিকৰ বিভিন্ন স্থান আৰু বিভাগ; যেনে— চৰকাৰী প্রতিষ্ঠান, কার্যালয়, চিকিৎসালয়, পৌৰ কার্যালয়, ৰাজ্যিক সচিবালয়, বিধানসভা, উপায়ুক্তৰ কার্যালয়, আৰক্ষীৰ মুখ্য কার্যালয়, শিক্ষানুষ্ঠান আদি নানা ঠাইত নির্ভৰযোগ্য লোক থাকে। এনে যোগসূত্রসমূহত ৰাজনৈতিক নেতাৰ পৰা আৰম্ভ কৰি চৰকাৰী বিষয়া, জন-সংযোগৰক্ষী বিষয়া, আৰক্ষীৰ লোক আৰু বিভিন্ন কার্যালয়ৰ চতুর্থবর্গৰ পিয়ন-কর্মচাৰীও থাকে।

উৎসবোৰ বিভিন্ন প্রকাৰৰ হ'ব পাৰে— মুখ্য (Primary) বা গৌণ (Secondary), চৰকাৰী বা বেচৰকাৰী। যেতিয়া সংবাদ প্রতিষ্ঠানটোৰ নিজৰ সংবাদদাতাৰ গোটে উৎসৰ পৰা সংবাদ সংগ্রহ কৰে বা ঘটনা সংঘটিত হোৱা স্থানলৈ গৈ ঘটনাস্থলীৰ পৰাই সংবাদ পৰিৱেশন কৰে, তেতিয়া সংবাদটো মুখ্য (Primary) উৎসৰ পৰা অহা বুলি কোৱা হয়। অন্যহাতেদি, সংবাদ প্রতিষ্ঠানৰ (News agencies) পৰা অহা সংবাদক গৌণ (Secondary) উৎসৰ পৰা অহা বুলি কোৱা হয়। কেতিয়াবা সম্প্রচাৰণ মাধ্যমে তেওঁলোকৰ নিজৰ তথ্যৰ পৰিপূৰক হিচাপে বাতৰিকাকতৰ সংবাদ ব্যৱহাৰ কৰে। ছপা মাধ্যমেও বাতৰি কাকতত প্রকাশ কৰা ঘটনা এটাৰ সংবাদৰ পৰিপূৰক হিচাপে সম্প্রচাৰণ মাধ্যমৰ তথ্য প্রয়োগ কৰে। এনে ক্ষেত্রত সম্প্রচাৰণ মাধ্যমৰ বাবে ছপা মাধ্যমটো তথ্যৰ গৌণ উৎস হৈ পৰে আৰু ছপা মাধ্যমৰ বাবে সম্প্রচাৰণ মাধ্যমটো তথ্যৰ গৌণ উৎস হৈ পৰে।

তলত মুখ্য আৰু গৌণ উৎসৰ দুটামান উদাহৰণ তুলি দিয়া হ'ল—

মুখ্য উৎস	গৌণ উৎস
চাক্ষুষ সাক্ষী	আর্কাইভ
কার্যসম্পাদনকাৰী, জীৱিত ব্যক্তি আৰু বলি আনুষ্ঠানিক উৎস মুখপাত্র	ইণ্টাৰনেট
বিশেষজ্ঞ	কিতাপ
সমাজকর্মী আৰু বেচৰকাৰী সংস্থা	বাতৰি-কাকত আৰু অন্য সংবাদ মাধ্যম আনুষ্ঠানিক খতিয়ান, প্রতিবেদন, নথি-পত্র আৰু প্রেছ বিজ্ঞাপ্তি

নিউজ ষ্ট'ৰী ঃ বাতৰি কাকতলৈ অহা বাতৰিৰ প্রতিবেদন বা সংবাদ-সমল যি বাতৰি কাকতৰ অন্তর্ভুক্ত হয়। বাতৰি কাকতৰ নিউজ ষ্ট'ৰী গল্প-উপন্যাস বা আখ্যানৰ লগত একে নহয়।

যেতিয়া সংবাদ মাধ্যম তথ্যসমূহ চৰকাৰী ব্রিফীং (Official briefings), প্রেছ বিজ্ঞপ্তি (Press release), প্রেছ নোট (Press note), প্রেছ কমিউনিক (Press communique), হেণ্ড আউট (handout) ইত্যাদিৰ আকাৰত প্রত্যক্ষভাৱে সংগঠনটোৰ পৰা লাভ কৰে, তেতিয়া আমি সেই সংবাদ চৰকাৰী উৎসৰ (Official source) পৰা অহা বুলি ক'ব পাৰোঁ। (আপুনি ওপৰত উল্লেখ কৰা শব্দবোৰৰ বিষয়ে জনসম্পর্ক পাঠ্যবিষয়ত বিস্তৃতভাৱে পঢ়িবলৈ পাব)। অন্যহাতেদি যদিহে সংবাদটো গ্রেপ ভাইন (grapevine)ৰ পৰা লাভ কৰে আৰু কোনো চৰকাৰী উৎসৰ দ্বাৰা ইয়াৰ সত্যাসত্য প্রতিপন্ন নহয় আৰু উৎসটো কি সেই সম্পর্কে মুকলিকৈ প্রকাশ কৰিব নোৱাৰি— তেতিয়াহ'লে উৎসটোক বেচৰকাৰী বুলি কোৱা হয়।

এগৰাকী বাতৰি হ'ব পৰা ব্যক্তিৰ পৰা বাতৰি কাহিনী এটা সংগ্রহ কৰাৰ সাক্ষ্যাৎকাৰ এটা ভাল উৎস হ'ব পাৰে। সাক্ষাৎগ্রহণকাৰীয়ে কেতিয়াবা কোনো ব্যক্তিক অতিশয় সংযোগ স্থাপনকাৰী আৰু কোনো ব্যক্তিক মনৰ ভাৰ মুকলিকৈ প্রকাশ কৰিবলৈ অনিচ্ছুক যেন অনুভৱ কৰিব পাৰে। অজ্ঞাত উৎসয়ো কেতিয়াবা কোনো ঘটানাৰ মূল তথ্য, পটভূমিৰ তথ্য অথবা গোপন সূত্রৰ যোগান ধৰিব পাৰে। তথ্যৰ মূল্য অথবা পৰিমাণ যিয়েই নহওক কিয় উৎসৰ অজ্ঞাত হৈ ৰ'ব খোজা অনুৰোধক যথেষ্ট সাৱধানতাৰে ৰক্ষা কৰিব লাগে।

উৎসবোৰক এদিন বা দুদিনৰ ভিতৰতে সৃষ্টি কৰিব পৰা নাযায়। উৎসবোৰ বিকশিত কৰিবলৈ সময়ৰ প্রয়োজন। সেইবিলাকক বিশ্বাসত ল'বলৈ আৰু সেইবিলাকৰ প ৰা শুদ্ধ তথ্য বাহিৰ কৰিবলৈকো সময় ৰ প্রয়োজন। উৎসবোৰ গঢ়ি তুলিবলৈ অভিজ্ঞতা আৰু সময় ৰ প্রয়োজন। সময় আগবঢ়াৰ লগে লগে উৎসৰ জালখন (network) বহল হৈ গৈ থাকে। এইটো কোৱা হয় যে উৎসৰ আয়তনৰ ওপৰত এজন সংবাদদাতাৰ কৃতকার্যতা নির্ভৰশীল। উৎসসমূহক এজন সংবাদদাতাৰ মূল্যৱান সম্পদ হিচাপে বিবেচনা কৰা হয়। গতিকে সংবাদদাতাজন বা গৰাকীয়ে তেওঁৰ উৎসৰ নেটৱর্কটোৰ লগত এটা মধুৰ সম্পর্ক বর্তাই ৰখাটো অতি প্রয়োজন।

অৱশ্যে, এইখিনিতে এইটো উল্লেখ কৰা প্রয়োজনীয় যে উৎসবোৰ গঢ়ি তোলাৰ ক্ষেত্রত সংবাদদাতাজনে সাৱধানতা অৱলম্বন কৰা উচিত। উৎসৰ এটা শক্তিশালী শৃংখলা গঢ়ি তোলাৰ ক্ষেত্রত উৎসৰ বিশ্বাসযোগ্যতাৰ বিষয়ে সংবাদদাতাজন নিশ্চিত হ'ব লাগিব। তেওঁলোকে সংবাদদাতাজনক প্রকৃত তথ্যৰ যোগান ধৰিব পাৰিব লাগিব। সংবাদদাতাজনৰ লগত তথ্যৰ আদান-প্রদানৰ ক্ষেত্রত উৎসসমূহে আখেজ ভাব বা পক্ষপাতিত্বমূলক মনোভাব পোষণ কৰিব নালাগিব।

অন্য এটা গুৰুত্বপূর্ণ কথা হ'ল যে উৎসসমূহ সযত্নে হাতৰ মুঠিত ৰাখিব লাগে। উৎসজন বা উৎসগৰাকীয়ে তথ্য যোগান ধৰাৰ পিছত সংবাদদাতাজনে এইটো কথাৰ প্রতি মন কৰা উচিত হ'ব যে তেওঁ তেওঁৰ উৎসসমূহ ধ্বংস কৰা বা উৎসৰ লগত সম্পর্ক ছিন্ন কৰা অনুচিত হ'ব। বৰঞ্চ সংবাদদাতাজনে তেওঁক তথ্যৰ যোগান ধৰা উৎসসমূহৰ অভাৱ-অভিযোগসমূহ দায়িত্বশীল অভিভাৱকৰ দৰে পূৰণ কৰি সিবিলাকৰ আস্থাভাজন হৈ থাকিব লাগে। এনে দূৰদৃষ্টিসম্পন্ন মনোভাৱ গ্রহণে এগৰাকী সংবাদদাতাক কৃতকার্যতাৰ জখলাত দোপতদোপে

উঠি যোৱাত সহায় কৰে।

উৎসৰ বিশ্বাসযোগ্যতা কি দৰে নির্ণয় কৰিব-

পূৰ্বৰ নির্ভৰযোগ্যতা (Previous Reliability) ঃ উৎসটো বিশ্বাসযোগ্য হয় নে নহয় সেই কথা অতীতৰ সম্পর্কৰ পৰা নির্ধাৰণ কৰিব পাৰি। যদি তেওঁ পূর্বতে বিশ্বাসযোগ্য তথ্য দিছে তেতিয়া হ'লে এতিয়াও নির্ভৰযোগ্য বুলি ভাবিব পাৰি।

প্রতিপাদ্যতা (Confirmability) ঃ যদিহে অন্যান্য উৎসই উৎসটোৱে যোগান ধৰা তথ্যৰ সত্যতা প্রতিপন্ন কৰে তেতিয়া উৎসটোক বিশ্বাসযোগ্য বুলি ক'ব পাৰি।

নৈকট্য (Proximity) ঃ ঘটনা প্রবাহৰ সৈতে উৎসৰ নৈকট্য বা ঘনিষ্ঠতাই সূত্রটোৰ বিশ্বাসযোগ্যতা ভালেখিনি নির্ণয় কৰে। তেওঁ ঘটনাৰ যিমান ওচৰৰ হয় সিমানেই উৎস হিচাপে তেওঁৰ বিশ্বাসযোগ্যতা বেছি হয়।

অভিপ্রায় (Motive) ঃ উৎসৰ বিশ্বাসযোগ্যতা নির্ধাৰণ কৰিব পাৰি তেওঁ কিহৰ বাবে তথ্য সৰবৰাহ কৰিছে সেই কথাৰ প্রতি লক্ষ্য ৰাখিব। কোনো কোনো উৎসই নিজৰ স্বার্থসিদ্ধিৰ বাবে সাংবাদিকক ভুল তথ্যৰ যোগান ধৰিব পাৰে। সেয়েহে পৰাপক্ষত এনে অভিপ্রায় অনুমান কৰি লোৱাটো সাংবাদিকৰ অৱশ্য কর্তব্য।

প্রসংগ সাপেক্ষতা (Contextuality) ঃ উৎসৰ বিশ্বাসযোগ্যতা নির্ভৰ কৰে সূত্র বা তথ্য কি প্রসংগত যোগান ধৰা হৈছে তাৰ ওপৰতো। যি প্রসংগত তথ্য বিচৰা হৈছে তাৰ সৈতে সামঞ্জস্য থাকিলে তেনে তথ্য বিশ্বাসযোগ্য অন্যথা তাৰ উৎসৰ বিশ্বাসযোগ্যতা সন্দেহজনক।

পতিয়নযোগ্যতা (Believability) ঃ তথ্যটো পতিয়নযোগ্য হয় নে নহয় সেই কথায়ো উৎসৰ বিশ্বাসযোগ্যতা নির্ণয় কৰে। উৎসটোৱে যোগান ধৰা তথ্যটো পতিয়নযোগ্য হ'ব লাগিব।



জানি থোৱা ভাল

আনুষ্ঠানিক উৎসৰ মূল্য বৈশিষ্ট্যবোৰ হ'ল—

- এনে উৎসই কোনো সামাজিক অনুষ্ঠান-প্রতিষ্ঠানৰ প্রতিনিধিত্ব কৰে।
- এনে উৎসৰ হাতত ক্ষমতা আৰু জ্ঞান থাকে।
- আনুষ্ঠানিক উৎস পদমর্যাদাত যিমানেই জ্যেষ্ঠ হ'ব সিমানেই তেওঁ যোগান ধৰা তথ্যৰ বিশ্বাসযোগ্যতা বাঢ়িব।
- আনুষ্ঠানিক উৎসবোৰে সাধাৰণতে কোনো ঘটনা সন্দর্ভত আনুষ্ঠানিক ভাষ্যহে আগবঢ়ায়। সেয়া ঘটনাটোৰ কেৱল এটা ফালহে।
- আনুষ্ঠানিক উৎস হ'ল আপোনাৰ কাহিনীৰ কেৱল এটা উৎসহে। আপুনি কোনো বাতৰি পৰিৱেশন কৰিবলৈ কেৱল আনুষ্ঠানিক উৎসৰ ওপৰত নির্ভৰ কৰিব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বাতৰিৰ উৎস কি? নির্ভৰযোগ্য উৎসৰ এটা কার্যক্ষম নেটৱর্ক সাংবাদিক এজনৰ বাবে কিয় গুৰুত্বপূর্ণ?

.....

.....

.....

.....

.....

.....

.....

৫. ৫ বাতৰিৰ বস্তুনিষ্ঠতা আৰু সত্যতা

সাংবাদিকতা হৈছে সংবাদজগতৰ বৃত্তি আৰু বাতৰি এক অত্যন্ত গুৰুত্বপূর্ণ বিষয়। সেয়েহে সাংবাদিকসকলে বাতৰি পৰিৱেশন কৰোঁতে কোনো তথ্য বিকৃত নকৰাকৈ আৰু তেওঁলোকৰ ব্যক্তিগত মতামত জাপি নিদিয়াকৈ যি দৰে ঘটিছে তেনেদৰেই উপস্থাপন কৰা উচিত। বাতৰিৰ অর্থ হৈছে অভিমত দাঙি নধৰাকৈ ঘটনা প্রবাহৰ তথ্যপূর্ণ উপস্থাপন। সাংবাদিকতাত বস্তুনিষ্ঠতাৰ গুৰুত্ব সর্বপ্রধান। এই বৃত্তিত নিয়োজিতসকলে বাতৰিৰ বস্তুনিষ্ঠতা আৰু বাতৰি পৰিৱেশনত বস্তুনিষ্ঠতা ৰক্ষাত সর্বাধিক গুৰুত্ব দিব লাগে। বাতৰি পৰিৱেশনৰ সময়ত যাতে কোনো ব্যক্তিগত পক্ষপাতিত্ব বা অভিপ্রায়ে ছাঁ নেপেলায় তাৰ বাবে সাংবাদিকজন সজাগ থকা উচিত।

বাতৰি লিখাৰ সময়ত সাংবাদিকগৰাকী বস্তুনিষ্ঠ হৈ থকা উচিত কাৰণ, যেতিয়া ঘটনা এটা ঘটে তেতিয়া তথ্য সংগ্রহৰ বাবে প্রথমতে সাংবাদিকজনকহে ঘটনাস্থলীলৈ পঠিওৱা হয়। তেওঁ ঘটনাস্থলীত লাভ কৰা প্রাথমিক তথ্যপাতি সংগ্রহতে ক্ষান্ত নাথাকি ঘটনাৰ প্রত্যক্ষদর্শীৰ সাক্ষাৎ গ্রহণ কৰে আৰু অজ্ঞাত দিশ আৰু তথ্য উদ্ধাৰৰ বাবে গভীৰলৈ গৈ অনুসন্ধান কৰে। সেয়েহে সাংবাদিকজনে কোনো তথ্য আৰু পৰিসংখ্যা বিকৃত নকৰে বুলি সকলোৱে আশা কৰে আৰু সাক্ষাৎকাৰ দিয়া লোকসকলে একপক্ষীয় মন্তব্যৰে তেওঁক প্রভাৱিত নকৰে বুলি ধাৰণা কৰা হয়। তেওঁ যিকোনো মূল্যৰ বিনিময়তে প্রতিবেদনত তেওঁৰ ব্যক্তিগত মতামত প্রতিফলিত হ'বলৈ দিয়া উচিত নহয়।

সম্পাদকীয় পৃষ্ঠাকে ধৰি কাকত এখনৰ কিছুমান স্তম্ভত লেখকৰ মন্তব্য আৰু দৃষ্টিভংগী প্রকাশ পাই থাকে। সাংবাদিকজনে ইচ্ছা কৰিলে সম্পাদকীয় পৃষ্ঠাত কোনো ঘটনাপ্রৱাহৰ ওপৰত নিজস্ব মতামত সম্বলিত লেখা আগবঢ়াব পাৰে। মুঠতে সাংবাদিকজনে বাতৰি লিখাৰ

সময়ত সংবাদ আৰু মতামতক একাকাৰ কৰিব নালাগে। সাংবাদিকজন নিজৰ বস্তুনিষ্ঠ অৱস্থানৰ পৰা বিচ্যুত হ'লে কাকতখনৰ ভাৱমূৰ্তি অৱনমিত হয়। সেয়ে সাংবাদিকসকলে বাতৰি লিখাৰ সময়ত সম্পূৰ্ণ নিৰপেক্ষতা অৱলম্বন কৰাত গুৰুত্ব দিব লাগে।

অৱশ্যে মানুহ হিচাপে সাংবাদিক এজনেও সকলো সময়তে সম্পূৰ্ণ নিৰপেক্ষ আৰু বস্তুনিষ্ঠ হৈ থাকিব নোৱাৰে। বিভিন্ন বৃত্তিগত আহুকাল আৰু আৱেগিক চাপৰ বাবে সাংবাদিক বৃত্তিধাৰী মানুহজনো ভাৱাবেগৰ দ্বাৰা চালিত হয়। তেতিয়া তেওঁ কাম কৰা বাতৰিকাকতখনত সাংবাদিকজনৰ ব্যক্তিগত মতামত আৰু পক্ষপাতিত্ব প্ৰকট হ'বলৈ ধৰে। এনে পক্ষপাতিত্বমূলক অৱস্থানো সাংবাদিকজনৰ সত্যনিষ্ঠতাকে নহয়, কাকতখনৰ গ্ৰহণযোগ্যতাও ম্লান কৰি পেলায়। সেয়ে সাংবাদিকসকলে যথাসম্ভৱ নিজকে নিৰপেক্ষ কৰি ৰখা ভাল।

কেতিয়াবা এনেকুৱা হয় যে সাংবাদিক এজনে নিৰ্দিষ্ট ঘটনা এটাৰ অনুসন্ধান কৰিবলৈ যাওঁতে ঘটনাটোৰ প্ৰত্যক্ষদৰ্শী আন কিছুমান মানুহৰ মতামত গ্ৰহণ কৰিবলগীয়া হয়, তেতিয়া তেনে লোকে তেওঁলোকৰ নিজস্ব অভিমত জাপি দিব বিচাৰে। তেনে ক্ষেত্ৰত সাংবাদিকজনে তথ্য-পাতিবোৰ পৰীক্ষা কৰাৰ লগতে বিভিন্ন সূত্ৰৰ দ্বাৰা চালি জাৰি চাব লাগে। তেনে কৰিলেহে পঢ়ুৱৈয়ে সঁচা কথাটো জানিবলৈ পাব আৰু বস্তুনিষ্ঠতাও ৰক্ষা পৰিব।

বস্তুনিষ্ঠতাই বাতৰিৰ সত্যতা ৰক্ষাতো সহায় কৰে। তথ্যসূত্ৰবোৰ সত্য হ'বই লাগিব। এই সত্যৰ সহায়তে সাংবাদিকজনে নিজৰ সত্যনিষ্ঠতা প্ৰমাণ কৰিব পাৰে। সাংবাদিকতা তথ্যক পৱিত্ৰ জ্ঞান কৰা হয়। সেয়েহে সাংবাদিকসকলে কোনো পৰিস্থিতিতে ব্যক্তিগত মতামতে ৰ তথ্যপাতিবোৰ বিকৃত কৰা উচিত নহয়।

লাভৰ পিছত দৌৰি ফুৰা দিশটো সাম্প্ৰতিক কালৰ সংবাদ জগতত তথ্য আৰু সংবাদক বাতৰি প্ৰতিষ্ঠানসমূহে বিভিন্ন দৃষ্টিকোণৰ পৰা প্ৰভাৱিত কৰা দেখা যায়। বাতৰি প্ৰতিষ্ঠানৰ মালিকসকলে বাতৰি পৰিৱেশনৰ সময়ত সদায় ব্যৱসায়ৰ দিশটোকে প্ৰাধান্য দিয়ে। তেওঁলোকে প্ৰমাণ থাকিলেও লাভজনক শক্তিৰ বিৰুদ্ধে বাতৰি লিখি নিজৰ ভৱিষ্যৎ বিপন্ন কৰিব নিবিচাৰে। বিভিন্ন সংবাদ প্ৰতিষ্ঠানৰ সমাজৰ এনে কিছুমান লব্ধ প্ৰতিষ্ঠ লোকৰ লগত সম্পৰ্ক থাকে যে তেওঁলোকক কেতিয়াও অসন্তুষ্ট কৰিব নিবিচাৰে; ফলত বাতৰিৰ বস্তুনিষ্ঠতা বিনষ্ট হয়। আনহাতে বাতৰি প্ৰতিষ্ঠানে কেতিয়াবা তেওঁলোকৰ আস্থাভাজন নোহোৱা কিছুমান লোকৰ চৰিত্ৰহনন কৰি সমাজত তেওঁলোকৰ ভাৱমূৰ্তি নষ্ট কৰাৰ চেষ্টা কৰে। এনেধৰণৰ ভূমিকাই সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। সংবাদ প্ৰতিষ্ঠানৰ এনে কাৰ্যকলাপে সমাজত বিশ্বাসহীনতাৰে সৃষ্টি কৰিব পাৰে।

সেয়েহে সাংবাদিকতাৰ ক্ষেত্ৰখনত মৰ্যাদা সহকাৰে তিষ্ঠি থাকিবলৈ হ'লে প্ৰতিটো সংবাদ প্ৰতিষ্ঠান আৰু প্ৰতিজন সাংবাদিকে বস্তুনিষ্ঠতা আৰু সত্যনিষ্ঠতাক আদৰ্শ হিচাপে গ্ৰহণ কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ বাতৰিৰ বস্তুনিষ্ঠতা বুলিলে কি বুজে?

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৫ ঃ এটা বাতৰিৰ সত্যতা কি দৰে নির্ণয় কৰিব পাৰি? প্রকাশিত বাতৰিৰ সত্যতাৰ বাবে সংবাদ প্রতিষ্ঠানৰ কোনসকলে দায়িত্ব বহন কৰে?

.....

.....

.....

.....

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আপোনালোকক বাতৰিৰ মৌলিক ধাৰণাসমূহৰ লগত পৰিচয় কৰাই দিয়া হ'ল। এই ধাৰণাসমূহৰ পৰা আমি গম পালো যে—

- 'বাতৰি হৈছে সংঘটিত হোৱা কোনো ঘটনাৰ প্রকৃত বিৱৰণ। সমাজৰ গৰিষ্ঠসংখ্যক লোকৰ বাবে বাতৰিৰ তাৎক্ষণিক মূল্য আছে।
- বাতৰি হ'ল আমাক অথবা আমাৰ সমাজখনক যিকোনো ধৰণে প্রভাৱিত কৰিব পৰা পৃথিৱীত ঘটা কোনো প্রাসংগিক আৰু গুৰুত্বপূর্ণ, তাৎক্ষণিক অথবা অগতানুগতিক ঘটনা। বাতৰি হ'ল কোনো বাতৰি-কাকত অথবা অন্য নির্দিষ্ট সময়ান্তৰত প্রকাশিত সংবাদ পত্রত প্রকাশিত কোনো শেহতীয়া অথবা সাময়িক ঘটনাৰ প্রতিবেদন।
- 'বাতৰি হিচাপে চিহ্নিত হ'বলৈ হ'লে তাৰ কেইটামান মৌলিক লক্ষণ থাকিব লাগিব। সেইবোৰ হৈছে পৰিচিতি, নৈকট্য, দুর্যোগ, উন্নয়ন, প্রভাৱ, গুৰুত্ব ইত্যাদি।
- বাতৰিৰ উৎস মুখ্য বা গৌণ, চৰকাৰী বা বেচৰকাৰী হ'ব পাৰে।
- নিয়োজিতসকলে বাতৰিৰ বস্তুনিষ্ঠতা আৰু বাতৰি পৰিবেশনত বস্তুনিষ্ঠতা ৰক্ষাত সর্বাধিক গুৰুত্ব দিব লাগে।
- এটা বাতৰিৰ ছটা মৌলিক উপাদান; যেনে— কোন, কি, কেতিয়া, কিয়, ক'ত আৰু

কেনেকৈ থাকিব লাগে। বাতৰিৰ এই কেইটা অৱশ্যে চৰ্তক কোৱা হয় পাঁচটা ডব্লিউ আৰু এটা এইচ। (5 Ws and H)



৫.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Aggarwal, Vir Bala (2006). Essentials of Practical Journalism. New Delhi : Concept Publishing Company
2. Kamath, M.V (2006). Journalist's Handbook. New Delhi :Vikas Publishing House
3. Lorenz, Alfred Lawrence, Vivian, John (2006). News, Reporting and Editing. New Delhi : Dorling Kindersley Pvt. Ltd.

৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বাতৰি হৈছে সমাজত ঘটা এটা ঘটনাৰ তথ্য, যিয়ে মানুহৰ জীৱনযাত্ৰাত প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱ পেলায় বা পেলোৱাৰ সম্ভাৱনা থাকে আৰু জনসাধাৰণৰ গৰিষ্ঠসংখ্যকৰ বাবে তাৰ তাৎক্ষণিক মূল্য থাকে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো এটা ঘটনা বাতৰি হ'বলৈ যিবোৰ গুণৰ দৰকাৰ সেইবোৰেই হৈছে তাৰ বাতৰি মূল্য বা News Value। সেইবোৰেই হৈছে বাতৰি একোটাৰ মূল বৈশিষ্ট্য।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বাতৰিৰ উৎস হ'ল যোগসূত্ৰ বা মানুহ যিসকলৰ পৰা সাংবাদিক এজনে বাতৰিৰ বাবে মূল্যৱান তথ্য সংগ্ৰহ কৰে। এজন সাংবাদিকৰ বাবে সকলো সময়তে তেওঁৰ চৌপাশে কি ঘটিছে তাৰ খবৰ ৰখা বা তথ্য সংগ্ৰহ কৰা সম্ভৱ নহ'ব পাৰে। এনে পৰিস্থিতিত সাংবাদিকজনে তেওঁ কাম কৰা প্ৰতিষ্ঠানৰ বাহিৰৰ কোনো লোকৰ ওপৰত তথ্যৰ বাবে নিৰ্ভৰ কৰিবলগীয়া হয়। এনে লোকেই সাংবাদিকজনক কোনো ঘটনাৰ তথ্য আৰু খবৰ দিয়ে, অন্যথা সাংবাদিকজনৰদ্বাৰা তেনে তথ্য উদ্ধাৰ কৰাটো সম্ভৱেই নহয়। সাধাৰণতে সাংবাদিকৰ বিভিন্ন স্থান আৰু বিভাগ; যেনে— চৰকাৰী প্ৰতিষ্ঠান, কাৰ্যালয়, চিকিৎসালয়, পৌৰ কাৰ্যালয়, ৰাজ্যিক সচিবালয়, বিধানসভা, উপায়ুক্তৰ কাৰ্যালয়, আৰক্ষীৰ মুখ্য কাৰ্যালয়, শিক্ষানুষ্ঠান আদি নানা ঠাইত নিৰ্ভৰযোগ্য লোক থাকে। এনে যোগসূত্ৰসমূহত ৰাজনৈতিক বিষয়া, আৰক্ষীৰ লোক আৰু বিভিন্ন কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ পিয়ন-কৰ্মচাৰীও থাকে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ উৎসৰ বিশ্বাসযোগ্যতা জুখিবলৈ বিভিন্ন মাপকাঠী থাকে। যেনে- পূৰ্বৰ

নির্ভৰযোগ্যতা, প্রতিপাদ্যতা, নৈকট্য, অভিপ্রায়, প্রসংগ সাপেক্ষতা আৰু পতিয়নযোগ্যতা।

৫ নং প্রশ্নৰ উত্তৰ ঃ এটা বাতৰিৰ বস্তুনিষ্ঠতাৰ অর্থ হ'ল বাতৰিটো যিধৰণে ঘটিছে সেই দৰেই, কোনো ৰং বা ব্যক্তিগত মতামত আৰোপ নকৰাকৈ, উপস্থাপন কৰা। বাতৰিটো সাংবাদিকৰ নিজৰ এটা মতামত জাপি নিদিয়াকৈ পৰিৱেশন কৰা যাতে পঢ়ুৱৈ আৰু দর্শকে নিজেই তাৰ পৰা নিজৰ মতামত স্থিৰ কৰিব পাৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ বাতৰিৰ সত্যতা তলত উল্লেখ কৰা ধৰণে নির্ণয় কৰিব পাৰি—

- উৰা বাতৰিত নির্ভৰ নকৰি প্রাথমিক তথ্য সংগ্রহেৰে।
- নির্ভৰযোগ্য আৰু বিশ্বাসযোগ্য উৎসৰ পৰাহে তথ্য লোৱা।
- আন উৎসৰ পৰা অহা তথ্যৰ সৈতে সমস্ত তথ্য পৰীক্ষা আৰু তুলনা কৰি। বাতৰি প্রতিষ্ঠান এটাত সাংবাদিকৰ গোটেই দলটো বাতৰিৰ সত্যতা নিৰূপণৰ বাবে দায়বদ্ধ। এই দলটোত থাকে সম্পাদক, বার্তা সম্পাদক, সংবাদদাতা আৰু উপ-সম্পাদকসকল। আনহাতে ৰেডিঅ' আৰু টিভিৰ বেলিকা বাতৰি প্রযোজক আৰু কিছু পৰিমাণে বাতৰি পৰিৱেশকসকলেও বাতৰিৰ সত্যতা নিৰূপণৰ দায়িত্ব ল'ব লাগে।



৫.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন নং ১ ঃ বাতৰি কি?

প্রশ্ন নং ২ ঃ বাতৰিৰ উৎসবোৰ কি কি?

প্রশ্ন নং ৩ ঃ বাতৰি লিখাত থাকিবলগীয়া বস্তুনিষ্ঠতা বুলিলে কি বুজে?

(খ) চুটি প্রশ্ন- (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ বাতৰি উৎসৰ ভাৰসাযোগ্যতা পৰীক্ষা কৰি চোৱাটো কিয় প্রয়োজনীয়?

প্রশ্ন নং ২ ঃ বাতিৰ উৎসৰ নৈকট্যই কেনেকৈ বাতৰি উৎসৰ ভাৰসাযোগ্যতা নির্ণয় কৰিব পাৰে?

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ যেতিয়া কুকুৰে মানুহ এজনক কামোৰে তেতিয়া সেইটো বাতৰি নহয়। কিন্তু যেতিয়া এজন মানুহে কুকুৰ এটাক কামোৰে তেতিয়া সেয়া বাতৰি হৈ পৰে। ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ বাতৰিৰ উৎস বুলিলে আপুনি কি বুজে? বাতৰিৰ বিভিন্ন উৎস সম্পর্কে চমু আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ বাতৰি এটাৰ ক্ষেত্রত বস্তুনিষ্ঠতা আৰু সত্যতাৰ গুৰুত্ব কি?

* * * * * *

অধ্যায় ৬ঃ বাতৰিৰ প্ৰকাৰ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ বাতৰিৰ প্ৰকাৰ
৬.৪ বাতৰিৰ নীতি
৬.৫ এটা ভাল বাতৰিৰ গুণ
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্ৰগতিৰ খতিয়ান
৬.৯ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাতৰিৰ বিভিন্ন প্ৰকাৰসমূহ ব্যাখ্যা কৰিব পাৰিব
- বাতৰিৰ নীতিবোৰ আলোচনা কৰিব পাৰিব
- এটা ভাল বাতৰিৰ গুণবোৰ বিশ্লেষণ কৰিব পৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি বাতৰিৰ ধাৰণা, উৎস, বাতৰিত বস্তুনিষ্ঠতাৰ গুৰুত্ব আৰু বাতৰিৰ যথার্থতা সম্পর্কে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি বাতৰিৰ প্ৰকাৰ, বাতৰি প্ৰস্তুত কৰাৰ নীতি আৰু এটা ভাল বাতৰিত থাকিবলগীয়া গুণবোৰৰ বিষয়ে আলোচনা কৰিম।

৬.৩ বাতৰিৰ প্ৰকাৰ

বাতৰিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাৰ পিছত আমি বিভিন্ন সংবাদ মাধ্যমত প্ৰকাশিত নানাধৰণৰ বাতৰিৰ বিষয়ে আলোচনা কৰিম। বাতৰি মূলতঃ দুবিধ— হাৰ্ড বাতৰি (Hard news) আৰু

ছফ্‌ট বাতৰি (Soft news)।

১। **হার্ড বাতৰি** (Hard News) ঃ 'হার্ড' বাতৰি বুলিলে শেষ মুহূর্তত সৃষ্টি হোৱা আৰু তাৎক্ষণিকভাৱে প্ৰতিবেদন প্ৰেৰণ কৰা বাতৰিবোৰৰ কথা বুজোৱা হয়। 'ছফ্‌ট' বাতৰি (Soft News) বুলিলে পটভূমিৰ তথ্য সম্বালিত অথবা মানুহৰ আগ্ৰহ জড়িত থকা বাতৰিৰ কথা বুজোৱা হয়। এটা 'হার্ড বাতৰিয়ে তথ্য জমা কৰিবলৈ বাস্তৱিক পন্থা গ্ৰহণ কৰে ঃ কি হ'ল? কোন জড়িত আছে? ক'ত আৰু কেতিয়া ঘটিল? কিয় ঘটিল?

ৰাজনীতি, যুদ্ধ, অর্থনীতি আৰু অপৰাধৰ দৰে বাতৰিবোৰক হার্ড বাতৰি বুলি কোৱা হয়। কলা, মনোৰঞ্জন আৰু জীৱশৈলী বিষয়ক বাতৰিবোৰক ছফ্‌ট বাতৰি বোলা হয়। কিন্তু অতি দ্ৰুত গতিত দুয়োবিধ বাতৰিৰ মাজত থকা প্ৰভেদ বোৰ নাইকিয়া হ'বলৈ ধৰিছে। হার্ড বাতৰি সাধাৰণতে পাঁচটা ডব্লিউ (5ws) আৰু এটা এইচ (H)ৰ প্ৰাথমিক প্ৰশ্নকেইটাৰ উত্তৰ দিয়ে। সেই প্ৰশ্নকেইটা হৈছে--

- কোন (Who)- ঘটনাটোত জড়িত থকা মানুহবোৰ
- কি (What)- ঘটনাটোত ঘটাৰ আঁৰৰ কাৰণ অথবা কার্য
- কেতিয়া (When)- ঘটনাটো ঘটাৰ সময়
- ক'ত (Where)- ঘটনাটো ঘটাৰ স্থান
- কিয় (Why)- কাৰণবোৰ সন্দর্ভত মন্তব্য
- কেনেকৈ (How)- ঘটনাটো কেনেকৈ ঘটিল তাৰ আৰু অধিক তথ্য

সাধাৰণতে, হার্ড বাতৰি লিখোঁতে এটা মানযুক্ত কৌশল অনুসৰণ কৰা হয়। সংবাদ মাধ্যমৰ ক্ষেত্ৰত ওলোটা পিৰামিডৰ শৈলীটো অনুসৰণ কৰা হয়। অর্থাৎ, আটাইতকৈ দৰকাৰী তথ্যখিনি বাতৰিটোৰ আৰম্ভণিত দিয়া হয় আৰু কম দৰকাৰী তথ্যবোৰ পিছত দিয়া হয়। সম্প্ৰচাৰণ মাধ্যমত বেছি দৰকাৰী নোহোৱা তথ্যবোৰ বাদ দিয়া হয়। তাৰ সলনি ব্ৰডকাষ্ট ৰিপ'র্টিঙে এটা সমান ফৰমেট অনুসৰণ কৰে। সমগ্ৰ ঘটনাটোত তথ্যৰ স্তৰ সমান হৈ থাকে।

উদাহৰণস্বৰূপে, ধৰক গুৱাহাটীৰ কোনো এটা অংশত বিধ্বংসী অগ্নিকাণ্ডত প্ৰভূত ক্ষতি হৈছে আৰু মানুহবো মৃত্যু ঘটিছে— সেই বাতৰি শীঘ্ৰেই মানুহক দিয়া প্ৰয়োজন। বাতৰিটো লিখোঁতে সাংবাদিকতাৰ মূল চর্ত পাঁচটা ডব্লিউ আৰু এটা এইচেৰে আৰম্ভ হোৱা প্ৰশ্নকেইটাৰ সমিধান দিয়া উচিত।

একেদৰে বোমা বিস্ফোৰণৰ দৰে ঘটনা ঘটিলে তাৰ খবৰ তৎক্ষণাৎ সংবাদ মাধ্যমেদি হার্ড বাতৰিৰ আকাৰত প্ৰকাশ কৰা উচিত। তাত পোনপটীয়া তথ্য যেনে ক'ত বিস্ফোৰণটো সংঘটিত হ'লে ক্ষয়-ক্ষতিৰ পৰিমাণ, পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা, ইত্যাদি থাকিব লাগে। এই দুটা হ'ল হার্ড বাতৰিৰ উদাহৰণ ।

সাধাৰণতে তিনি ধৰণে হার্ড বাতৰি বিৱৰণ (coverage) প্ৰস্তুত কৰা হয়- ক্ষেত্ৰভিত্তিক বিৱৰণ (spot coverage), প্ৰগাঢ় বিৱৰণ (depth coverage) আৰু উদ্যোগ বিৱৰণ (enterprise coverage)।

আজিকালি হার্ড বাতৰিবোৰক ক্ষেত্রভিত্তিক বাতৰি (spot news) অথবা ব্রেকিং নিউজ (breaking news) বুলিও কোৱা হয়। কাৰণ বাতৰি প্রতিষ্ঠাবোৰে এনে বাতৰি পলম নকৰাকৈ যেতিয়াই ঘটে তেতিয়াই পৰিৱেশন কৰে। ক্ষেত্রভিত্তিক বাতৰি (spot news) হ'ব পৰা ঘটনা দুটামান হ'ল- বিমান দুর্ঘটনা, আততায়ীৰ দ্বাৰা হত্যা, অগ্নিকাণ্ড, নির্বাচন, বিচাৰৰ ৰায়দান ইত্যাদি। স্থানিক বাতৰিৰ দুটামান বৈশিষ্ট্য হ'ল-

- 'লীড-অফ্' (Lead-off) বাক্যবোৰ ঘটনাভিত্তিক। এনে বাক্যৰ দ্বাৰা ঘটনাটোৰ সৈতে জড়িত সবাতোকৈ গুৰুত্বপূর্ণ অথবা আকর্ষণীয় তথ্যটো প্রকাশ কৰা হয়। গৌণ তথ্যবোৰক তাৰ পাছত স্থান দিয়া হয়।
- চাক্ষুষ সাক্ষী আৰু বিশেষজ্ঞ উৎসবোৰৰ মতামত উদ্ধৃত কৰা হয়।
- ঘটনা অনুসৰি বিৱৰণ প্রস্তুত কৰা হয়। বিৱৰণ কোনো প্রাকৃতিক ঘটনাক লৈ অথবা কোনো প্রেছ্ কনফাৰেন্সৰ দৰে সূচীবদ্ধ ঘটনাক লৈ প্রস্তুত কৰা হ'ব পাৰে।
- ক্ষেত্রভিত্তিক বাতৰিৰ তথ্যবোৰ 'ডেডলাইন' হিচাপে নির্ধাৰণ কৰি লোৱা সময়সীমাৰ ভিতৰত গোটাব আৰু সজাই-পৰাই লিখিব লাগে।
- বিভিন্ন ঘটনাৰ বিৱৰণ প্রস্তুত কৰাটো এটা প্রতিযোগিতা। কাৰণ, অসংখ্য সংবাদ প্রতিষ্ঠানৰ সাংবাদিকে একে সময়তে একেটা ঘটনাৰ তথ্য সংগ্রহ কৰাৰ চেষ্টা কৰে।

প্রগাঢ় বিৱৰণ (Depth Coverage) হ'ল হার্ড বাতৰি পৰিৱেশনৰ আন এক পদ্ধতি। কিন্তু এনে বিৱৰণে ঘটনাৰ ক্ষেত্রভিত্তিক অগ্রগতিতকৈ বহু বেছি কথা সামৰি লয়। ক্ষেত্রভিত্তিক বাতৰিয়ে কেৱল ঘটনাৰ ওপৰতহে মনোযোগ দিয়ে। প্রগাঢ় বিৱৰণে কোনো এক বিশাল পৰিঘটনাৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰে। প্রগাঢ় বিৱৰণৰ দুটামান বৈশিষ্ট্য হ'ল-

- উৎস আৰু ঘটনাক নিজ নিজ উদ্দেশ্য নির্ধাৰণ কৰিবলৈ দিয়াৰ সলনি প্রগাঢ় বিৱৰণ প্রস্তুত কৰাৰ সময়ত সাংবাদিকে কোনবোৰ তথ্য সামৰি ল'ব তাৰ সিদ্ধান্ত লোৱাৰ সময়ত নিজৰ অনুসন্ধিৎসা আৰু উদ্যোগৰ ওপৰত নির্ভৰ কৰে।
- সংবাদ আৰু তথ্য সংগ্রহ কৰাৰ সম্পূর্ণ প্রক্রিয়াটো অতি বিস্তৃত।
- প্রগাঢ় বিৱৰণ হ'ল সক্রিয়তা সমর্থনকাৰী কার্য। সাংবাদিকে সক্রিয়ভাৱে কি তথ্য উদ্‌ঘাটনৰ চেষ্টা কৰিব সেয়া সিদ্ধান্ত লয়। অন্য প্রতিদ্বন্দ্বীৰ হাতত নপৰা তথ্যবোৰ পৰিৱেশন কৰাৰ ফলত এনে বিৱৰণবোৰে সাধাৰণতে কৌতূহলউদ্দীপক (scoop) বাতৰিৰ ৰূপ লয়।
- প্রগাঢ় বিৱৰণবোৰৰ ক্ষেত্রত কোনো 'ডেডলাইন' নাথাকে বাবে এনে বাতৰিয়ে সদায় উৎকৃষ্টমান আৰু উন্নত লেখন দক্ষতা প্রদর্শন কৰে।

সংবাদ বিৱৰণ প্রস্তুত কৰাৰ আন এটা পদ্ধতিক উদ্যোগ বিৱৰণ (enterprise coverage) বোলে। কোনো ঘটনা এনে বিৱৰণ প্রস্তুত কৰাটোক সম্ভৱপৰ কৰি তোলে কেইজনমান লোকৰ উদ্যোগী দক্ষতাই। এনে লোকে প্রয়োজনীয় তথ্য আগতীয়াকৈ বাহিৰ কৰিবলৈ প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰে। উদাহৰণস্বৰূপে বৃটিছ সংবাদ সেৱা প্রতিষ্ঠান ৰয়টোৰে এনে উদ্যোগী দক্ষতাৰ প্রমাণ দি কৃত্রিম উপগ্রহভিত্তিক তথ্য প্রচাৰ সেৱা গঢ়ি তুলিছে। এই সেৱাই ১৯৯০ চনত মধ্য আৰু পূব

ইউৰোপত হোৱা নাটকীয় কমিউনিষ্ট শাসন ওপৰোৱা ঘটনাটোৰ বিৱৰণ বিশ্ববাসীৰ আগত প্ৰচাৰ কৰিছিল। একেদৰে, ১৯৯১ চনত ইৰাকৰ বিৰুদ্ধে মিত্ৰবাহিনীয়ে চলোৱা আক্ৰমণৰ চিত্ৰণ এনে সংবাদ প্ৰতিষ্ঠানে আগতীয়া বিৱৰণ সম্প্ৰচাৰ কৰিছিল। কাৰণ, যুদ্ধ আৰম্ভ হোৱাৰ কেইবামাহৰ আগতেই নিয়মীয়া তথ্য সৰবৰাহ সেৱাবোৰ ব্যাহত হোৱাৰ আশংকাত সংবাদ প্ৰতিষ্ঠানটোৱে পশ্চাদ-সহায়ক (back up) সংযোগ প্ৰণালী এটা গঢ়ি তুলিছিল।

২। ছফ্‌ট বাতৰি (Soft News) ঃ ছফ্‌ট বাতৰি হ'ল মানুহে বাধ্যতামূলকভাৱে জানিবলগীয়া নোহোৱা কিন্তু স্বতঃস্ফূৰ্তভাৱে জানিব খোজা ধৰণৰ বাতৰি। যিবোৰ বাতৰিৰ মূল উদ্দেশ্য তথ্য অৱগত কৰোৱাৰ সলনি মনোৰঞ্জন অথবা শিক্ষা প্ৰদান কৰা বিধৰ হয়, তেনে বাতৰিবোৰকে ছফ্‌ট বাতৰি বোলে। ছফ্‌ট বাতৰি হ'ল মানৱীয় আগ্ৰহক সন্তুষ্ট কৰাৰ বাবে বাতৰি-কাকত অথবা টেলিভিছ্ন সংবাদ পৰিৱেশনৰ সময়ত স্থান দিয়া বিশেষ নিবন্ধ কাহিনীৰ সমাৰ্থক। এই ধাৰণাটোৱে অধিক ব্যক্তিত্বকেন্দ্ৰিক কাহিনী উপস্থাপন কৰা সংবাদ মাধ্যমৰ বিভিন্ন অনুষ্ঠান-শিতানক সামৰি লয়।

বিশেষ নিবন্ধ অথবা অনুষ্ঠানবোৰ (Features) এই শিতানৰ অন্তৰ্ভূক্ত। বিশেষ নিবন্ধবোৰৰ বাতৰি মূল্যৰ আধাৰত সেইবোৰক সাধাৰণতে মানৱীয় আগ্ৰহৰ ওপৰত নিৰ্ভৰশীল বুলি ধৰা হয়। এনে ঘটনাই মানুহৰ অনুসন্ধিৎসা, সহানুভূতি, সন্দেহ আৰু আশ্চৰ্য আদি ভাৱ জাগ্ৰত কৰে। বিশেষ নিবন্ধ লিখাৰ কৌশলবোৰ বেলেগ বেলেগ। ছপা মাধ্যমত বিশেষ নিবন্ধবোৰ কেতিয়াবাহে 'ওলোটা পিৰামিড' শৈলীত লিখা হয়। বিশেষ নিবন্ধৰ প্ৰধান ক'বলগীয়াখিনি সদায় শেষলৈ থোৱা হয়। ব্ৰডকাষ্ট নিবন্ধত বিভিন্ন ধৰণৰ ফৰমেট প্ৰয়োগ কৰা হয়। 'হাস্যৰসাত্মক লীড' আৰু মূল বক্তব্য একেবাৰে শেষত কোৱা আদি কৌশলে সদায় নিবন্ধ উপস্থাপন সফল কৰে। আকৌ কেতিয়াবা দৈনন্দিন কাহিনী কথনৰ দৰে সৰল বৰ্ণনাত্মক ৰচনাশৈলীত লিখা প্ৰবন্ধবোৰো অতি সুন্দৰ হৈ পৰে।

মানৱীয় আবেদন আৰু দৃষ্টিকোণ সমৃদ্ধ বাতৰিবোৰক সচৰাচৰ ছফ্‌ট বাতৰি বুলি অভিহিত কৰিব পাৰি। ছফ্‌ট বাতৰি সাধাৰণতে হাৰ্ড বাতৰি অৰ্থাৎ তাৎক্ষণিক ঘটনাপ্ৰৱাহৰ পৰাই সৃষ্টি হয়। গুৰুত্বপূৰ্ণ ঘটনাৰ ফলোআপ ষ্ট'ৰী, হাৰ্ড বাতৰি পৰিৱেশনৰ সময়ত তল পৰি যোৱা বিভিন্ন দিশ আৰু ঘাইকৈ মানৱীয় আবেদন বিশিষ্ট বাতৰিবোৰেই ছফ্‌ট বাতৰি। সেয়েহে ক'বলৈ গ'লে ছফ্‌ট বাতৰিবোৰত স্পৰ্শকাতৰ দিশবোৰেই প্ৰাধান্য লাভ কৰে। এনে বাতৰিৰ উদ্দেশ্য হৈছে মনোগ্ৰাহী উপস্থাপনেৰে পঢ়ুৱৈৰ বা দৰ্শকৰ মনত আৱেগ সৃষ্টি কৰা। সেয়েহে ছফ্‌ট বাতৰিৰ বেলিকা বাতৰি লিখাৰ সাধাৰণ ধৰণটো মুঠেও প্ৰযোজ্য নহয়। এনে বাতৰি লিখোতাৰ বাবে স্বাধীনতা বেছি থাকে যাতে তেওঁ তেওঁৰ সৃজন ক্ষমতা প্ৰয়োগ কৰি এনে এটা কাহিনী সৃষ্টি কৰে যিয়ে বহুত পঢ়ুৱৈক আকৰ্ষণ কৰাৰ লগতে তেওঁলোকৰ মনত গভীৰ সাঁচ পেলায়।

এতিয়া আমি ভাৰতত ঘটা বিমান দুৰ্ঘটনাৰ উদাহৰণ এটাকৈ লওঁ। সংবাদ মাধ্যমবোৰ সংগতভাৱেই এই দুৰ্ঘটনাৰ বাতৰি পৰিৱেশন কৰোঁতে ক'ত, কেনেকৈ ঘটনাটো ঘটিল আৰু কিমানসংখ্যক লোকৰ মৃত্যু হ'ল তাৰ বিৱৰণ দিব আৰু লগতে সম্ভৱ হ'লে দুৰ্ঘটনাৰ কাৰণটো ব্যাখ্যা কৰিব। হাৰ্ড বাতৰিৰূপে সংবাদ সংস্থাবোৰে খবৰটো পোৱাৰ লগে লগে এনেবোৰ তথ্য

সংগ্ৰহ কৰিব। কিন্তু দিন অতিবাহিত হোৱাৰ লগে লগে বিশেষ কোনো বাতৰিকাকতৰ সাংবাদিকৰ হাতলৈ এই দুৰ্ঘটনাৰ নতুন তথ্যও আহিব পাৰে। ধৰি লওক সাংবাদিকজনে অনুসন্ধান কৰি গম পালে যে দুৰ্ঘটনাগ্ৰস্তসকলৰ ভিতৰত এটা তিনি বছৰীয়া শিশুও আছিল। আৰু মাক-দেউতাকৰ সৈতে ভ্ৰমণ কৰা শিশুটো দুৰ্ঘটনাৰ সময়ত দৈবক্ৰমে সামান্য আঘাত পাই বাচি গ'ল। তেনে খবৰ এটা কাকতৰ ছফ্‌ট বাতৰিৰূপে পৰিৱেশন কৰা হয়।

কিছুমান টেব্‌লয়ড বাতৰি কাকতে গাম্ভীৰ্যহীন ছফ্‌ট বাতৰি প্ৰকাশ কৰে। এনে বাতৰিৰ বিষয়বস্তু উদ্ভউ (bizarre,) , আচহুৱা (odd), অভিনৱ (novel), অগতানুগতিক(offbeat), বাতুলতাপূৰ্ণ (crazy stuff) হ'ব পাৰে। এই বাতৰিবোৰ আকৰ্ষণীয় কিন্তু ইয়াৰ মূল্য ক্ষণস্থায়ী। উদাহৰণ স্বৰূপে এনে বাতৰি-কাকতবোৰে কেতিয়াবা জনপ্ৰিয় চিত্ৰতাৰকা অথবা তেনে ব্যক্তি জীৱনৰ সৈতে জড়িত মুখৰোচক কাহিনী প্ৰকাশিত কৰে। এনে বাতৰিয়ে ক্ষন্তেকৰ বাবে আমাক আগ্ৰহী কৰি তোলে যদিও এনেবোৰ বাতৰিৰ কোনো গুৰুত্ব নাই।

প্ৰখ্যাত সংবাদ মাধ্যম পণ্ডিত উইলবাৰ শ্ৰামে কৈছে যে হাৰ্ড বাতৰিৰ তুলনাত ছফ্‌ট বাতৰিয়ে শ্ৰোতা-দৰ্শকক তাৎক্ষণিক প্ৰতিফল প্ৰদান কৰে। হাৰ্ড বাতৰিৰ প্ৰতিফল লাভত বিলম্ব ঘটে। অৱশ্যে উইলবাৰ শ্ৰামৰ এই দৃষ্টিভংগী সাৰ্বজনীনভাৱে প্ৰযোজ্য নহয়।

হাৰ্ড আৰু ছফ্‌ট বাতৰিৰ সমতা স্থাপন ঃ অধিকাংশ বাতৰি কক্ষই হাৰ্ড আৰু ছফ্‌ট বাতৰিৰ মাজত সমতা স্তাপন কৰিব খোজে। বাতৰি কক্ষবোৰে সম্প্ৰদায়ত নিজৰ ভূমিকাক কেনেদৰে লয়, কেনেকৈ নিজৰ শ্ৰোতা-দৰ্শক-পাঠকৰ প্ৰয়োজনীয়তা আৰু আগ্ৰহৰ বিষয়ে বুজে তাৰ ওপৰত এই সমতা স্থাপনৰ দিশটো নিৰ্ভৰশীল। ব্ৰডকাষ্টিং কেন্দ্ৰবোৰে পুৱা আৰু গধূলি সবাতোকৈ অধিক হাৰ্ড বাতৰি থকা অনুষ্ঠান সম্প্ৰচাৰিত কৰে। কাৰণ এই সময়খিনিত অধিকাংশ মানুহে 'ৰাতিটোৰ ভিতৰত কি ঘটিল' অথবা 'দিনটোৰ ভিতৰত কি ঘটিল' সেয়া জানিব খোজে। ৰেডিঅ' বাতৰিয়ে তাৎক্ষণিকতাত গুৰুত্ব দিয়ে আৰু বেছিভাগ হাৰ্ড বাতৰি পৰিৱেশন কৰে।

ৰাতিপুৱা প্ৰকাশিত বাতৰি-কাকতবোৰেও হাৰ্ড বাতৰি ছপা কৰে। কাৰণ তেওঁলোকে আগনিশাৰ 'ডেডলাইন' মানি লৈ পাৰ হৈ যোৱা দিনটোৰ ঘটনাৰ প্ৰতিবেদনহে আগবঢ়াব পাৰে।

সন্ধিয়া প্ৰকাশিত বাতৰি-কাকতবোৰে অৱশ্যে বেছিভাগ সময়তে ছফ্‌ট বাতৰি প্ৰকাশ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ হাৰ্ড বাতৰি আৰু ছফ্‌ট বাতৰিৰ পাৰ্থক্য কি? ৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।

.....

.....

.....

প্ৰশ্ন নং ২ ঃ হাৰ্ড বাতৰিক আৰু কি নামেৰে জনা যায়?

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ পাঁচটা ডব্লিউ আৰু এটা এইচ (5 Ws & H) কি কি?

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ হাৰ্ড বাতৰিৰ বিৱৰণ প্ৰস্তুত কৰাৰ পদ্ধতি কেইটা কি কি?

.....

.....

.....



অনুশীলনী ৬.১

১। স্থানীয়ভাৱে প্ৰকাশিত বাতৰি-কাকত এখন লওক। আপোনাৰ সম্প্ৰদায়ৰ পাঠকৰ বাবে উপযুক্ত মানৰ ছফ্‌ট আৰু হাৰ্ড বাতৰিৰ উদাহৰণ বাছি উলিয়াওক।

২। যিমান পাৰে মানৱীয় আগ্ৰহ সৃষ্টি কৰিব পৰা বিষয়বস্তু সংগ্ৰ কৰক। তাৰ মাজৰে সবাতোকৈ আকৰ্ষণীয় বিষয়বস্তুটো বাছি লওক। বাতৰি-কাকতত প্ৰকাশ কৰিব পৰাকৈ বাতৰি এটা লিখক।

৬.৪ বাতৰিৰ নীতি

বাতৰি লিখাৰ সময়ত কিছুমান নীতি মানি চলিব লাগে। বাতৰিৰ বাবে লিখাৰ সময়ত নীতি-নিষ্ঠতাক সন্মান প্ৰদৰ্শন কৰি বিভিন্ন শৈলীত লিখা হয়। বাতৰি লিখাটো এক গুৰুত্বপূৰ্ণ দক্ষতা। কোনো বাতৰি প্ৰস্তুত কৰি থকা সাংবাদিকৰ সংবাদ প্ৰস্তুতকাৰী দক্ষতাৰ ওপৰত ই নিৰ্ভৰশীল। বাতৰি লিখাৰ সময়ত মানি চলিবলগীয়া নীতিবোৰ তলত উল্লেখ কৰা হ'ল-

১। **'লীড' লিখাৰ নিয়ম ঃ** বাতৰি এটাৰ 'লীড' (প্ৰথম দফাটো) লিখাটোৱেই সম্ভৱতঃ সবাতোকৈ গুৰুত্বপূৰ্ণ কাম। পাঠকৰ মনোযোগ আকৰ্ষণ কৰিব পৰাকৈ লীড লিখিব লাগে। লীড দফাটো পঢ়িয়েই পাঠকে কোনো ঘটনাৰ মৌলিক কোন, কি, ক'ত, কেতিয়া আদি প্ৰশ্নৰ উত্তৰ পাব লাগে। চমুকৈ ক'বলৈ গ'লে গোটেই বাতৰিটো পঢ়িবলৈ সময় নথকা পাঠকে কেৱল 'লীড' টো পঢ়িয়েই বাতৰিটোৰ সাৰাংশ বুজি পোৱা উচিত। এনে লীড লেখনিক 'সাৰাংশ লীড' (Summary Lead) বোলে। সাধাৰণতে হাৰ্ড বাতৰিৰ বাবে লীড লিখা হয়। সাৰাংশ লীডৰ উপৰি লীড লিখাৰ আন দুটামান পদ্ধতি আছে।

২। **সাক্ষাৎকাৰ ঃ** কোনো ঘটনাক বাতৰিৰ ৰূপ দিয়াৰ আগতে ঘটনাৰ বিষয়বস্তুটো খৰচি

মাৰি গৱেষণা কৰি ল'ব লাগে। যদি বাতৰিটো সজাবলৈ কোনো সাক্ষাৎকাৰ গ্ৰহণৰ প্ৰয়োজন হয় তেন্তে সাক্ষাৎকাৰ সাৱধানে লোৱা উচিত।

৩। **উদ্ধৃতি ঃ** উদ্ধৃতিৰ (Quotes) প্ৰয়োগ সংবাদ লিখনৰ এটা গুৰুত্বপূৰ্ণ অংশ। পাঠকক কেৱল কি ঘটিছে সেয়া জনোৱাটোৱেই গুৰুত্বপূৰ্ণ নহয়, তথ্যবোৰ বিভিন্ন উৎসৰ পৰা লাভ কৰা উদ্ধৃতিৰে অধিক স্পষ্ট ৰূপত উপস্থাপন কৰিব লাগে। এনে উদ্ধৃতি চাক্ষুষ সাক্ষী অথবা বিষয়টোৰ বিশেষজ্ঞসকলৰ পৰা সংগ্ৰহ কৰা হয়।

৪। **শিৰোনাম ঃ** কোনো বাতৰিৰ শিৰোনামে পাঠকৰ মনোযোগ আকৰ্ষণ কৰাৰ লগতে বাতৰিটোৰ সাৰভাগ প্ৰকাশ কৰিব লাগে। কাৰণ, বাতৰি- কাকত এখন হাতত লোৱাৰ লগে লগে আমি শিৰোনামবোৰত চকু ফুৰাও। এটা বাতৰিৰ শিৰোনাম সংক্ষিপ্ত, নিৰ্দিষ্ট আৰু তথ্যসমৃদ্ধ হ'ব লাগে। ই আকৰ্ষণীয় আৰু চকুত পৰাও হোৱা উচিত।

৫। **নীতি ঃ** বাতৰি এটা লিখাৰ পৰত যুক্তিসংগত নীতিবোৰ মানি চলাটো অতি গুৰুত্বপূৰ্ণ। সাংবাদিকৰ নীতি সংহিতা কঠোৰভাৱে মানিহে বাতৰি লিখিব লাগে। বাতৰি সদায় নিৰ্ভুল, বস্তুনিষ্ঠ আৰু পক্ষপাতিত্বহীন হোৱা উচিত।

৬.৫ এটা ভাল বাতৰিৰ গুণ

বাতৰি এটা 'ভাল' বুলি চিনি পাবলৈ হ'লে আপোনাৰ 'বাতৰি বোধ' (news sense) ভাল হ'ব লাগিব। লিনেটি শ্বেৰিডন বার্নচে তেওঁৰ গ্ৰন্থ ' Understanding Journalism 'ত(Sage Pub. London, 2010, p.53) লিখিছে ঃ

"বাতৰি বোধ মানে হ'ল গুৰুত্বহীন যেন লাগিব পৰা তথ্যবোৰত থকা সম্ভাব্য বাতৰি মূল্য চিনি পোৱা আৰু মানুহক আকৰ্ষণ কৰিব পৰা বাতৰি অংশ বাছনি কৰিব পৰা দক্ষতা। ই হ'ল পাঠক দৰ্শকক ঘটনাটোৰ মাজলৈ টানি নিয়াৰ পথ বিচাৰি উলিওৱা প্ৰক্ৰিয়া। ই তথ্য আৰু ঘটনাৰ মাজত সংযোগ স্থাপন কৰা আৰু পাঠক-দৰ্শকৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ ধৰণ সম্পৰ্কে ভৱিষ্যৎবাণী কৰিব পৰা বোধ।'

আমি প্ৰায় সকলো সময়তে ঘটনা আৰু তথ্যেৰে উপচি থাকো। বাতৰি বোধ মানে হ'ল এনে ঘটনা আৰু তথ্যৰ মাজৰ কোনবোৰ আমি অনুসৰণ কৰিম আৰু কোনবোৰ আওকাণ কৰিম সেই বিষয়ে তাৎক্ষণিক সিদ্ধান্ত ল'ব পৰা দক্ষতা।

যিকোনো বাতৰি-কাকত অথবা আলোচনী মেলিলেই আমি হাৰ্ড বাতৰি, ছফ্‌ট বাতৰি, বিশেষ ৰচনা অথবা প্ৰবন্ধৰ ৰূপত নানা ধৰণৰ কাহিনী পঢ়িবলৈ পাওঁ। কিন্তু এগৰাকী পঢ়ুৱৈয়ে যেতিয়া কাকতখন মেলে তেতিয়া তেওঁ পৃথিৱীখনত কি ঘটি আছে সেয়া জানিব খোজে। সেয়েহে তেনে পাঠকৰ বাবে কাহিনীবোৰ শৃংখলাবদ্ধ ক্ৰমত, স্পষ্ট ৰূপত, বলপূৰ্বকভাৱে আৰু সংক্ষিপ্ত আকাৰত উপস্থাপন কৰিব লাগে যাতে তেওঁলোকে কম আয়াসতে পঢ়িব পাৰে। এটা ভাল বাতৰিৰ তলত উল্লেখ কৰা গুণবোৰ থকা উচিত—

(ক) এটা ভাল বাতৰিৰ এটা শক্তিশালী আৰু মনোযোগ আকৰ্ষণকাৰী শিৰোনাম থাকে।

এটা চকুত পৰা শিৰোনামে পাঠকৰ মনোযোগ আকৰ্ষণ কৰে। শিৰোনামটো পঢ়িয়েই পাঠকে প্ৰবন্ধ/ বিশেষ লেখনী অথবা আন ঘটনা পঢ়িবলৈ বাধ্য হয়। দুৰ্বল শিৰোনামে অধিক মনোযোগ আকৰ্ষণ কৰিব নোৱাৰে। এগৰাকী সম্পাদক বাবে ভাল, উপযুক্ত আৰু মনোযোগ আকৰ্ষণকাৰী শিৰোনাম লিখিব পৰাটো এটা মূল্যবান দক্ষতা। কিন্তু শিৰোনাম লিখা মানে কেৱল শুদ্ধ শব্দ ক্ৰমত সজাই এটা বাক্য গঠন কৰা প্ৰক্ৰিয়া মাত্ৰ নহয়। কোনো ঘটনা ছপা হোৱা পৃষ্ঠাত শিৰোনামটো ক'ত বহিব, সজাই লোৱা শব্দবোৰ কেনেকৈ ভগোৱা হ'ব, সঠিক দৈর্ঘ্য, আখৰৰ ৰূপ, আখৰৰ আকাৰ আদিৰে সৈতে শিৰোনামটো কেনেকৈ প্ৰকাশিত হ'ব, ঘটনাৰ প্ৰকাৰ অনুসৰি শিৰোনাম খাপ খাইছেনে নাই, অন্য ঘটনাতকৈ এই ঘটনাটোৰ আপেক্ষিক গুৰুত্ব, ঘটনাটোৱে দখল কৰা স্থান ইত্যাদিৰ কথাও জানিব লাগিব। অৰ্থাৎ, এটা ভাল শিৰোনাম নিৰ্ভুল, স্পষ্ট, জ্যামিতিকভাৱে শুদ্ধ, শক্তিশালী, সক্ৰিয়, সতেজ আৰু তাৎক্ষণিক হ'ব লাগিব।

(খ) এটা ভাল বাতৰিৰ এটা তথ্যসমৃদ্ধ লীড থাকে।

তথ্যসমৃদ্ধ লীড বুলি আমি বাতৰিৰ তেনেবোৰ প্ৰথম দফাৰ কথা ক'ব খুজিছো যিবোৰে ৫টা W আৰু এটা H -ৰ আটাইকেইটাৱে অথবা বেছিভাগৰে উত্তৰ দিব পাৰে [5W- what, where, when why, who আৰু 1H-How]। এনে লীড থকা বাতৰি এটাক ত্ৰুটিহীন বাতৰি বোলে। ওপৰত উল্লেখ কৰা আটাইকেইটা শব্দই সোধা প্ৰশ্নৰ উত্তৰ 'লীড' দফাটোত থাকিব বুলি ভবা হয়। ইয়াৰ কাৰণ হ'ল বহু কম অন্তলৈ পঢ়াৰ সময় উলিয়াব পাৰে। সেয়েহে বেছিভাগ মানুহেই তথ্যৰে ভৰি থকা 'লীড' এটা পঢ়াটো অধিক পছন্দ কৰে।

(গ) এটা ভাল বাতৰিয়ে গুৰুত্বৰ ক্ৰম অনুসৰি তথ্যবোৰ উপস্থাপন কৰে

এটা ভাল বাতৰিৰ আৰম্ভণিতে সবাতোকৈ গুৰুত্বপূৰ্ণ তথ্যটো থাকে আৰু একেবাৰে শেষত সবাতোকৈ কম গুৰুত্বৰ তথ্যটো থাকে (পটভূমিৰ তথ্যবোৰ এই অংশত থাকিব পাৰে) এই পদ্ধতিটো বাতৰি লিখাৰ 'ওলোটা পিৰামিড' শৈলীৰ সৈতে একে। 'ওলোটা পিৰামিড' শৈলীতো সবাতোকৈ গুৰুত্বপূৰ্ণ তথ্যবোৰ প্ৰথম দফাত লিখি অন্য তথ্যবোৰ গুৰুত্ব অনুসৰি তাৰ পিছৰ দফাবোৰত ক্ৰমে লিখি যোৱা হয়।

(ঘ) এটা ভাল বাতৰিৰ দফাবোৰ চুটি

এটা ভাল বাতৰিৰ আন এটা বৈশিষ্ট্য হ'ল চুটি দফাৰ ব্যৱহাৰ। দফাবোৰ চুটি আৰু সংক্ষিপ্ত হোৱা বাবে পাঠকে কম সময়ৰ ভিতৰতে বাতৰিটোৰ এটা তাৎক্ষণিক অৱলোকন কৰিব পাৰে।

(ঙ) এটা ভাল বাতৰিৰ প্ৰকৃতি বস্তুনিষ্ঠ

এটা ভাল বতৰি বস্তুনিষ্ঠ হয় বাবে ই অন্য সংবাদ প্ৰতিবেদনতকৈ পৃথক। বস্তুনিষ্ঠ বাতৰি পৰিৱেশন মানে হ'ল সাংবাদিকে কোনো কৰ্প'ৰেট গোষ্ঠীৰ হৈ অথবা ব্যক্তিগত পক্ষপাতিত্ব অবিহনে বাতৰি এটা সম্পূৰ্ণ বস্তুনিষ্ঠ ৰূপত প্ৰস্তুত কৰা কাৰ্য। এনে বাতৰিয়ে সামৰি লোৱা বিষয়টোৰ বিভিন্ন দিশ উপস্থাপন কৰোতে সমতা ৰক্ষা আৰু সমান ন্যায় প্ৰদান কৰা হয়। বস্তুনিষ্ঠ নীতি

অনুসৰি সাংবাদিকৰ কৰ্তব্য হ'ল 'বাতৰি' হিচাপে উপস্থাপন কৰা যিকোনো ঘটনা সন্দৰ্ভত নিজৰ মন্তব্য যোগ দিয়াৰ পৰা বিৰত থকা, ঘটনাটো বিকৃত নকৰা অথবা ইয়াৰ গঠন সূত্ৰবোৰক নিজে বিচৰা ধৰণে আকাৰ দিয়াৰ চেষ্টা নকৰা।

(চ) এটা ভাল বাতৰিৰ সংশ্লিষ্ট ঘটনা অথবা বিষয়ৰ সৈতে জড়িত লোকৰ উদ্ধৃতি সন্নিৱিষ্ট

এটা ভাল বাতৰিৰ উদ্ধৃতি সংলগ্ন কৰা হয় (টেলিভিছনৰ ক্ষেত্ৰত উদ্ধৃতিৰ সলনি 'বাইট' শব্দটো ব্যৱহাৰ কৰা হয়)। সংশ্লিষ্ট ঘটনা অথবা বিষয়ৰ সৈতে জড়িত হৈ থাকিব পৰা ব্যক্তিৰ মন্তব্য হুবহু তুলি দিয়াই হ'ল উদ্ধৃতি। উদ্ধৃতিয়ে ঘটনাৰ গুৰুত্ব বৃদ্ধি কৰে। ই ঘটনা এটাৰ ৰূপৰেখা মানুহ অথবা সাক্ষীৰ দৃষ্টিকোণেৰে দাঙি ধৰে।

(ছ) ভাল বাতৰি এটাত ঘটনাৰ সৈতে জড়িত ব্যক্তিক দৰ্শক-পাঠকৰ সৈতে প্ৰথমবাৰ পৰিচয় কৰাই দিওতে নাম আৰু উপাধি দুয়োটাই ব্যৱহাৰ কৰা হয়।

এটা ভাল বাতৰিৰ প্ৰতিবেদন প্ৰস্তুত কৰোঁতে ঘটনা অথবা সমস্যাৰ সৈতে জড়িত ব্যক্তিসকলক দৰ্শক-পাঠকৰ সৈতে প্ৰথমবাৰ পৰিচয় কৰাই দিওতে নাম আৰু উপাধি দুয়োটাই ব্যৱহাৰ কৰা হয়। পাচত কেৱল উপাধিটো ব্যৱহাৰ কৰা হয় (বিশেষ সময়ত এই নিয়মৰ ব্যতিক্ৰম হ'ব পাৰে)।

(জ) ভাল বাতৰি এটাত শ্ৰোতা-পাঠকে সহজে বুজি পোৱা ভাষা প্ৰয়োগ কৰা হয়।

এটা ভাল বাতৰি লিখাৰ সময়ত শ্ৰোতা পাঠকে সহজে বুজি পোৱা সহজ ভাষা প্ৰয়োগ কৰা হয়। বাতৰিৰ ভাষা দুৰ্বোধ্য হ'লে শ্ৰোতা-পাঠকে বাতৰিটো বিচাৰ কৰি চাব নোৱাৰিব। ফলত তেওঁলোকৰ দৃষ্টিভংগী জানিব পৰা নাযাব।

(ঝ) এটা ভাল বাতৰিত বানানৰ ভুল আৰু ব্যাকৰণৰ ভুল নাথাকে।

পাঠকে এটা বাতৰিৰ ব্যৱহৃত ভাষা আৰু বাক্য পঢ়িয়েই বাতৰিটো ভাল নে বেয়া ধাৰণা কৰি লয়। এটা ভাল বাতৰিত সাধাৰণতে ব্যাকৰণ, বানান আৰু যতিচিহ্নৰ ভুল নাথাকে। এনে ভুলেৰে পূৰ্ণ বাতৰি পঢ়াৰ সময়ত ইয়াৰ সৌন্দৰ্য লাঘৱ হয়।

(ঞ) এটা ভাল বাতৰিত নিৰ্দিষ্ট বিতং বিৱৰণ থাকে।

এটা ভাল বাতৰিত কোনো ঘটনাৰ প্ৰতিবেদন প্ৰস্তুত কৰি থকা সময়ত ঘটা আন প্ৰাসংগিক ঘটনাবোৰৰো বিতং বিৱৰণ থাকে।



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি পঢ়াৰ পাছত আমি গম পালোঁ যে—

- হাৰ্ড বাতৰি হ'ল ঘটনা এটা যেনেদৰে ঘটিছে তেনেদৰেই সহজ সৰল আৰু পোনপটীয়া তথ্য সহকাৰে উপস্থাপন কৰা বাতৰি। ই সাধাৰণতে ৫ টা W আৰু 1 টা H ৰে সোধা মৌলিক প্ৰশ্নবোৰৰ উত্তৰ আগবঢ়ায়।

- হার্ড বাতৰি লিখিবলৈ সাধাৰণতে এটা স্বীকৃত কৌশল অনুসৰণ কৰা হয়। ছপা মাধ্যমৰ ক্ষেত্ৰত এই কৌশলটোক 'ওলোটা পিৰামিড' কৌশল বোলে। ইয়াত সবাতোকৈ গুৰুত্বপূৰ্ণ তথ্যবোৰ আৰম্ভণিতে আৰু তাৰ পিছত ক্ৰমে কম গুৰুত্বপূৰ্ণ তথ্যবোৰ আৰম্ভণিতে আৰু তাৰ পিচত ক্ৰমে কম গুৰুত্বপূৰ্ণ তথ্যবোৰ লিখি যোৱা হয়। ব্ৰডকাষ্ট মাধ্যমত কম গুৰুত্বপূৰ্ণ তথ্যবোৰ বাদ দিয়া হয়। এই মাধ্যমত এক সমান ফৰমেটত তথ্যৰ স্তৰ সমান ৰাখিও বাতৰি প্ৰস্তুত কৰা হয়।
- সাধাৰণতে তিনি ধৰণে হার্ড বাতৰিৰ বিৱৰণ প্ৰস্তুত কৰা হয় ক্ষেত্ৰভিত্তিক বিৱৰণ, প্ৰগাঢ় বিৱৰণ আৰু উদ্যোগ বিৱৰণ।
- বৰ্তমান সময়ত হার্ড বাতৰিক ক্ষেত্ৰভিত্তিক বাতৰি অথবা ব্ৰেকিং নিউজ বুলিও কোৱা হয়। কাৰণ বাতৰি প্ৰতিষ্ঠানবোৰে এনে বাতৰি পলম নকৰাকৈ যেতিয়াই ঘটে তেতিয়াই পৰিৱেশন কৰে।
- প্ৰগাঢ় বিৱৰণ এক প্ৰকাৰৰ হার্ড বাতৰিয়েই। কিন্তু এনে বিৱৰণে ঘটনাৰ ক্ষেত্ৰভিত্তিক অগ্ৰগতিতকৈ বহু বেছি কথা সামৰি লয়। ক্ষেত্ৰভিত্তিক বাতৰিয়ে কেৱল ঘটনাৰ ওপৰতহে মানোযোগ দিয়ে। প্ৰগাঢ় বিৱৰণে কোনো এক বিশাল পৰিঘটনাৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰে।
- ছফ্‌ট বাতৰি হ'ল মানুহে বাধ্যতামূলকভাৱে জানিবলগীয়া নোহোৱা কিন্তু স্বতঃস্ফূৰ্তভাৱে জানিব খোজা ধৰণৰ বাতৰি। যিবোৰ বাতৰিৰ মূল উদ্দেশ্য তথ্য অৱগত কৰোৱাৰ সলনি মনোৰঞ্জন অথবা শিক্ষা প্ৰদান কৰা বিধৰ হয়, তেনে বাতৰিবোৰকে ছফ্‌ট বাতৰি বোলে।
- কোনো বাতৰিৰ শিৰোনামে পাঠকৰ মনোযোগ আকৰ্ষণ কৰাৰ লগতে বাতৰিটোৰ সাৰভাগ প্ৰকাশ কৰিব লাগে।
- বাতৰি লিখাৰ সময়ত সাংবাদিকৰ নীতি সংহিতা কঠোৰভাৱে মানি চলা উচিত। বাতৰিবোৰ নির্ভুল, বস্তুনিষ্ঠ আৰু পক্ষপাতিত্বহীন হ'ব লাগে।



৬.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Aggarwal, Via Bala (2006). Essentials of Practical Journalism. New Delhi: Concept Publishing Company
2. Kamath, M.V (2013).Professional Journalism. Noida: Vikas Publishing House Pvt. Ltd
3. Lorenz, Alfred Lawrence, Vivian, John (2006). News, Reporting and Writing. New Delhi: Dorling Kindersley (India) Pvt. Ltd.

৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ হার্ড বাতৰি হৈছে সেইটো বাতৰি যিয়ে ঘটনা এটা যিদৰে সংঘটিত হয় তাক সেই ৰূপে সৰলভাৱে উপস্থাপন কৰে। নিবন্ধ, সম্পাদকীয়, বিভিন্নধৰণৰ লেখা ইত্যাদি ছফ্‌ট বাতৰিৰ শ্রেণীত পৰে। ছফ্‌ট বাতৰিয়ে তথ্যৰ লগত জড়িত মানৱীয় দিশসমূহ উন্মোচন কৰাত গুৰুত্ব আৰোপ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ স্পট বাতৰি (Spot News) বা ব্রেকিং নিউজ (Breaking News)

৩ নং প্রশ্নৰ উত্তৰ ঃ পাঁচটা ডব্লিউ — কোন (Who), কি(What), ক'ত (Where), কেতিয়া (When), কিয় (Why) আৰু এটা এইচ - কেনেকৈ (How)।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক্ষেত্রভিত্তিক বিৱৰণ, প্রগাঢ় বিৱৰণ আৰু উদ্যোগ বিৱৰণ

৬.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন-

প্রশ্ন নং ১ ঃ সংজ্ঞা দিয়ক- ক্ষেত্রভিত্তিক বিৱৰণ, প্রগাঢ় বিৱৰণ, উদ্যোগ বিৱৰণ

প্রশ্ন নং ২ ঃ এটা ভাল বাতৰিৰ কিয় এটা তথ্যসমৃদ্ধ লীড থাকিব লাগে?

প্রশ্ন নং ৩ ঃ ৫ টা W আৰু 1 টা H -ৰ বৈশিষ্ট্য কি?

প্রশ্ন নং ৪ ঃ বাতৰিৰ প্রকৃতি কিয় বস্তুনিষ্ঠ হ'ব লাগে?

(খ) চুটি প্রশ্ন ঃ (প্রতিটো প্রশ্ন প্রায় ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক) ঃ

প্রশ্ন নং ১ ঃ বাতৰি প্রতিষ্ঠানবোৰে হার্ড আৰু ছফ্‌ট বাতৰিৰ মাজত সমতা স্থাপন কৰিব লাগেনে? কিয়?

প্রশ্ন নং ২ ঃ ছপা আৰু ব্রডকাষ্ট মাধ্যমত বেছিভাগ সময়তে কি লেখন শৈলী অনুসৰণ কৰা হয়?

প্রশ্ন নং ৩ ঃ হার্ড বাতৰি আৰু ছফ্‌ট বাতৰিৰ মাজত থকা মৌলিক প্রভেদবোৰ কি?

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্ন প্রায় ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন নং ১ ঃ বাতৰিৰ নীতিবোৰ কি?

প্রশ্ন নং ২ ঃ এটা ভাল বাতৰিৰ গুণবোৰ কি কি?

* * * * * *